# বঙাইগাঁও বিশ্ববিদ্যালয়ত নৱাগত আদৰণী সভা

আমাৰ খবৰ, বঙাইগাঁও, ১১ ছেপ্টেম্বৰ : শেহতীয়াকৈ বঙাইগাঁও মহাবিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ উন্নীত হোৱা বঙাইগাঁও বিশ্ববিদ্যালয়ৰ প্ৰথমখন নবাগত আদৰণি সভা বুধবাৰে বিশ্ববিদ্যালয় প্ৰাংগণত অনুষ্ঠিত হৈ যায়। বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ লগতে মুকলি সভা এখনো অনুষ্ঠিত হয়। এই মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে ভট্টদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ধণপতি ডেকা। বঙাইগাঁও বিশ্ববিদ্যালয়ৰ ছাত্ৰ কল্যাণ সঞ্চালক ড° ৰূপনাথ ওৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক তৰণি ডেকা। নিজৰ মাতৃভাষা চৰ্চাৰ ওপৰতো তেওঁ গুৰুত্ব আৰোপ কৰে। সভাত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ উপাচাৰ্যগৰাকীয়ে ভাষণ প্ৰসংগত কয় যে অনাগত দিনত বিশ্ববিদ্যালয়খনৰ উন্নত মানৰ আন্তঃগাঁথনি সৃষ্টি কৰি মানৱ সম্পদ গঢ়াত মনোনিৱেশ কৰিব লাগিব। মুকলি সভাত বঙাইগাঁও বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক ড° দীনেশ দাস, শৈক্ষিক পঞ্জীয়ক ড° কৰবী শইকীয়াকে প্ৰমুখ্য কৰি বিশ্ববিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৈ উপস্থিত থাকে। এই অনুষ্ঠানত হিন্দী বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° নুৰ জামালৰ এখনি গ্ৰন্থ উন্মোচন কৰা হয়।